**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। এইটো পৰ্যায়ত অহা ২৫ মে'ত ভোটগ্ৰহণ হ'বলগীয়া মুঠ ৫৮টা সংসদীয় সমষ্টিৰ ভোটদাতাসকলক আকৃষ্ট কৰাৰ বাবে প্ৰাৰ্থী আৰু তাৰকা প্ৰচাৰকসকল ব্যস্ত হৈ পৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চাওঁতালী লেখক পণ্ডিত ৰঘুনাথ মুৰ্মুৰ জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে।

৩। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে, ২০১০ চনৰ পৰা পশ্চিমবংগ চৰকাৰে প্ৰদান কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ সকলো প্ৰমাণ-পত্ৰ কলকাতা উচ্চ ন্যায়ালয়ে বাতিল কৰাৰ প্ৰসংগক লৈ ৰাজ্যখনৰ চৰকাৰক সমালোচনা কৰিছে।

৪। মেক্সিকোত যোৱানিশা নিৰ্বাচনী প্ৰচাৰ সভাৰ এখন মঞ্চ প্ৰচণ্ড বতাহে ভাঙি পেলোৱাৰ ফলত এটি শিশুকে ধৰি ৯জন লোকে প্ৰাণ হেৰুৱাইছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক পৰাস্ত কৰা ৰাজস্থান ৰয়েলছ কাইলৈ হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব।

০০০০০০০

ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। এইটো পৰ্যায়ত অহা ২৫ মে'ত ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮ টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু আৰু কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে।

উল্লেখযোগ্য যে ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৫৮ টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৮৮৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পৰহিলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব।

প্ৰচাৰৰ সামৰণিৰ ক্ষণ চমু চাপি অহাৰ লগে লগে প্ৰধান প্ৰধান ৰাজনৈতিক দলৰ নেতা আৰু প্ৰাৰ্থীসকলে সমষ্টিসমূহৰ ভোটদাতাৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে। ইফালে, লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবেও প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

দিল্লীতো লোকসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে। দিল্লীৰ সাতোখন আসনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। ৰাজনৈতিক দলসমূহে ৰোড শ্ব', নিৰ্বাচনী সভা আৰু ঘৰে ঘৰে গৈ চলোৱা প্ৰচাৰৰ জৰিয়তে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে চলোৱা চেষ্টাত কোনো ত্ৰুটি ৰখা নাই। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি পশ্চিম দিল্লী লোকসভা সমষ্টিৰ দ্বাৰকাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। দলীয় প্ৰাৰ্থীৰ সমৰ্থনত দিয়া

ভাষণত তেওঁ কয় যে ভাৰতবৰ্ষই ৰামৰাজ্যৰ উত্থান দেখিবলৈ পোৱাটো নিশ্চিত আৰু ইয়াত কোনেও প্ৰতিহত কৰিব নোৱাৰে। দলৰ আন এগৰাকী জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলেও পশ্চিম দিল্লীৰ নজফগড় এলেকাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। আনহাতে, বিজেপি নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে চান্দনী চ'ক সংসদীয় সমষ্টিৰ অশোক বিহাৰ এলেকাত এটা ৰোড শ্ব'ত ভাগ লোৱাৰ বিপৰীতে দলটোৰ নেতা ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই উত্তৰ-পশ্চিম দিল্লীৰ সংসদীয় সমষ্টিৰ ৰোহিণী এলেকাত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি উত্তৰ-পূব দিল্লীৰ সংসদীয় সমষ্টিৰ দিলশ্বাদ গাৰ্ডেন এলেকাৰ এখন নিৰ্বাচনী সভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত ভাগ লয়। সভাখনত ভাষণ দি তেওঁ বিজেপি নেতৃত্বাধীন চৰকাৰখনক সমালোচনা কৰি কয় যে এই চৰকাৰখনে দৰিদ্ৰতা আৰু অসমতাক দীৰ্ঘস্থায়ী কৰিবলৈ বিচাৰিছে। চৰকাৰখনে সৰ্বসাধাৰণৰ বাবে নহয়, বৰঞ্চ নিৰ্দিষ্ট একাংশ বৃহৎ ব্যৱসায়ীৰ হৈহে কাম কৰা বুলি অভিযোগ কৰি তেওঁ অভিযোগ কৰে। নিবনুৱা সমস্যাৰ বাবে দেশৰ যুৱ সম্প্ৰদায় বেয়া ধৰণে ক্ষতিগ্ৰস্ত হৈছে বুলিও নেতাগৰাকীয়ে দাবী কৰে। একেদৰে আম আদমী পাৰ্টীৰ শীৰ্ষ নেতাসকলেও দলীয় প্ৰাৰ্থীৰ হকে ৰোড শ্ব'কে ধৰি বিভিন্ন ধৰণে প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে। নিৰ্বাচনী প্ৰচাৰ অভিযানলৈ কেইটামান ঘণ্টাহে বাকী থকা অৱস্থাত ভোটদাতাসকলক আকৃষ্ট কৰাৰ বাবে সকলো দলৰ জ্যেষ্ঠ নেতা আৰু তাৰকা প্ৰচাৰকসকল ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে।

ওড়িশাতো ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৬টা লোকসভা আৰু ৪২টা বিধানসভা সমষ্টিৰ বাবে প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি হাৰিয়ানাৰ ভিৱানী-মহেন্দ্ৰগড়ত দলৰ হৈ প্ৰচাৰ চলাব। শ্ৰীমোডীয়ে আজি পাঞ্জাবৰ পাটিয়ালা চহৰতো নিৰ্বাচনী সভাক সম্বোধন কৰিব। পাটিয়ালাৰ বিজেপি প্ৰাৰ্থী পৰ্ণীত কৌৰে কৈছে যে জনসাধাৰণে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণলৈ আগ্ৰহেৰে বাট চাই আছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চাওঁতালী লেখক পণ্ডিত ৰঘুনাথ মুৰ্মুৰ জন্মবাৰ্ষিকী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে পণ্ডিত মুৰ্মুৱে 'অল চিকি' লিপিৰ জৰিয়তে চাওঁতালী ভাষাক নতুন পৰিচয় প্ৰদান কৰিছিল। ভাষাটোৰ প্ৰসাৰৰ বাবে তেওঁ আগবঢ়াই থৈ যোৱা বৰঙণিয়ে চাওঁতালী লোকসকলক তেওঁলোকৰ সমৃদ্ধিশালী সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে সচেতন হ'ব পৰাকৈ অধিক উদ্বুদ্ধ কৰিছিল বুলিও শ্ৰীমতী মুৰ্মুৱে লগতে মত প্ৰকাশ কৰে।

০০০০০০০

কলকাতা উচ্চ ন্যায়ালয়ে ২০১০ চনৰ পৰা পশ্চিমবংগ চৰকাৰে প্ৰদান কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ সকলো প্ৰমাণ-পত্ৰ বাতিল কৰাৰ প্ৰসংগক লৈ প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনৰ মমতা বেনাৰ্জী নেতৃত্বাধীন চৰকাৰখনক সমালোচনা কৰিছে। দিল্লীত আজি এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে, পশ্চিমবংগৰ চৰকাৰখনে ৰাজনৈতিক তুষ্টিকৰণৰ নীতি গ্ৰহণ কৰা বুলি মত প্ৰকাশ কৰি সংবিধান উলংঘনেৰে ৰাজনৈতিক লাভালাভক অধিক গুৰুত্ব দিয়া বুলি মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক দোষাৰোপ কৰে। ভোটবেংকৰ স্বাৰ্থত তুষ্টিকৰণৰ সকলো সীমা অতিক্ৰম কৰা দলসমূহক কলকাতা উচ্চ ন্যায়ালয়ৰ এই ৰায়দানে উপযুক্ত প্ৰত্যুত্তৰ দিয়া বুলিও তেওঁ মত প্ৰকাশ কৰে।

একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহেও এই বিষয়টোত পশ্চিমবংগৰ চৰকাৰক সমালোচনা কৰি কয় যে মমতা বেনাৰ্জীয়ে পিছপৰা সম্প্ৰদায়ৰ বাবে থকা সংৰক্ষণৰ ব্যৱস্থাটোক তেওঁ ভোটবেংকৰ সৈতে

সাঙুৰি পেলাইছিল। বিজেপিয়ে ধৰ্মৰ ভিত্তিত সংৰক্ষণৰ ব্যৱস্থাৰ তীব্ৰ বিৰোধিতা কৰি আহিছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে কলকাতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ তপোব্ৰত চক্ৰৱৰ্ত্তী আৰু ন্যায়াধীশ ৰাজশেখৰ মন্থাক লৈ গঠিত এখন খণ্ড বিচাৰপীঠে কালি ২০১০ চনৰ পাছত প্ৰদান কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণ-পত্ৰ বাতিল কৰাৰ হকে ৰায়দান কৰিছিল।

ন্যায়ালয়ে লগতে এই প্ৰমাণ-পত্ৰ ইতিমধ্যে ব্যৱহাৰ কৰাসকলক এই ৰায়ে প্ৰভাৱিত নকৰে বুলি স্পষ্ট কৰি দিছে। এতিয়াৰে পৰা চৰকাৰী চাকৰিৰ বাবে আবেদন কৰিবলৈ কোনেও এই প্ৰমাণ-পত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব।

ইপিনে, উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰোধিতা কৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কৈছে যে তেওঁ প্ৰয়োজন হ'লে এই ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব।

০০০০০০০

উত্তৰ আৰু মধ্য ভাৰতত পৰৱৰ্তী কেইদিনমানলৈ প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহ অব্যাহত থকাৰ সম্ভাৱনা আছে। ভাৰতৰ বতৰ বিজ্ঞান ভাৰতৰ বতৰ বিজ্ঞান বিভাগে ৰাজস্থান, উত্তৰ প্ৰদেশ, পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড় আৰু দিল্লীত তিনি-চাৰিদিনলৈ ৰেড এলাৰ্ট জাৰি কৰিছে। এই সময়ছোৱাত গ্ৰীষ্ম প্ৰৱাহৰ একেই পৰিস্থিতি বিদৰ্ভ আৰু মহাৰাষ্ট্ৰতো অব্যাহত থকাৰ সম্ভাৱনা আছে। কাইলৈৰ ভিতৰত অসমৰ বতৰো গৰম আৰু আৰ্দ্ৰ হ'ব বুলি বতৰ বিভাগে জানিবলৈ দিয়ে।

০০০০০০০

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে ২০১৪ চনৰ লোকসভা নিৰ্বাচনত দুৰ্নীতি আৰু ২০১৯ চনত হিতাধিকাৰী মূল বিষয় হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে ২০২৪ চনৰ নিৰ্বাচনত বিকশিত ভাৰত মূল বিষয় হিচাপে পৰিগণিত হৈছে। এখন ইংৰাজী দৈনিক কাকতত দিয়া এটা সাক্ষাৎকাৰত শ্ৰী মোদীয়ে কয় যে সমগ্ৰ দেশৰ জনসাধাৰণে এইবাৰৰ নিৰ্বাচনটোক এটা গুৰুত্বপূৰ্ণ নিৰ্বাচন বুলি অনুধাৱন কৰিছে। এই নিৰ্বাচনটোৱে দেশখনৰ আশা-আকাংক্ষাৰ সমানুপাতিক গতিৰে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাটো নিশ্চিত কৰিব বুলি ভোটদাতাসকলে বুজিব পাৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে। এইবাৰৰ নিৰ্বাচনত দুৰ্নীতি বিৰোধী আৰু হিতাধিকাৰী ভোটদাতাসকলে তেওঁৰ প্ৰতি সমৰ্থন আগবঢ়োৱা বুলিও শ্ৰী মোদীয়ে দাবী কৰে।

০০০০০০০

মেক্সিকোত যোৱানিশা নিৰ্বাচনী প্ৰচাৰ সভাৰ এখন মঞ্চ প্ৰচণ্ড বতাহে ভাঙি পেলোৱাৰ ফলত এটি শিশুকে ধৰি ৯ জন লোকে প্ৰাণ হেৰুৱাইছে। এই ঘটনাটোত ৬০ জনতকৈও অধিক লোক আহত হয়। দেশখনৰ নুৱেৰ' লিয়ন প্ৰদেশত সংঘটিত এই দুৰ্ঘটনাটোৰ সময়ত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী জৰ্জ আলভাৰেজ মেইনেজে ছেন পেড্ৰো গাৰ্জা গাৰ্চিয়া মহানগৰীত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত ভাষণ দি আছিল। পাছত ঘটনাস্থলীত উপস্থিত হৈ শ্ৰী আলভাৰেজে দুৰ্ঘটনাটোক লৈ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ প্ৰচাৰ অভিযান স্থগিত ৰখাৰ সিদ্ধান্ত ঘোষণা কৰে। উল্লেখযোগ্য যে অহা ২ জুনত মেক্সিকোত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাজস্থান ৰয়েলছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক এলিমিনেটৰ খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক চাৰি উইকেটত পৰাস্ত কৰে। বেংগালুৰুৰ দলটোৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৮ উইকেটৰ বিনিময়ত ১৭২ ৰাণ সংগ্ৰহ

কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৯ অ'ভাৰত ছটা উইকেট হেৰুৱাই ১৭৪ ৰাণ কৰে। ৰাজস্থান ৰয়েলছৰ হৈ যশস্বী জয়ছোৱালে ৩০ টা বলত ৪৫ আৰু ৰিয়ান পৰাগে ২৬ টা বলত ৩৬ ৰান সংগ্ৰহ কৰে। খেলখনত ৰবিচন্দ্ৰন অশ্বিনক প্লেয়াৰ অব্ দা মেচৰ বঁটা প্ৰদান কৰা হয়।

ৰাজস্থান ৰয়েলছ কাইলৈ হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটো দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

**সমাপ্ত**